MAHESH CHANDRA DEV GOSWAMI LIBRARY
Date..............
Nowgong Girls' College

# 2025

## POLITICAL SCIENCE

Paper : POL0400404

**( Public Policy and Administration in India )**

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

**1.** Answer/Choose the correct option of the following : 1×8=8

তলত দিয়াবোৰৰ উত্তৰ দিয়া/শুদ্ধ উত্তৰটো বাছি উলিওৱা :

*(a)* When was Zero-based Budget introduced in India?

ভাৰতবৰ্ষত কেতিয়া শূন্য-ভিত্তিক বাজেট (ZBB) প্ৰৱৰ্তন কৰা হৈছিল ?

*(i)* 1986

১৯৮৬ চনত

*(ii)* 1987

১৯৮৭ চনত

(iii) 1989

১৯৮৯ চনত

(iv) 1990

১৯৯০ চনত

(b) Who gave the 'systems theory' in public policy?

লোকনীতিত 'systems theory' কোনে প্ৰৱৰ্তন কৰিছিল ?

(i) Woodrow Wilson

উড্ৰ' উইলচন

(ii) Harold Lasswell

হেৰল্ড লাছৱেল

(iii) David Easton

ডেভিড ইষ্টন

(iv) Dwight Waldo

ডৱাইট ৱাল্ডো

(c) Which of the following is *not* correct?

তলৰ কোনটো শুদ্ধ নহয় ?

(i) UMANG is developed to drive Mobile Governance in India.

ভাৰতত মোবাইল গৱৰ্ণেন্সক আগুৱাই নিয়াৰ বাবে UMANG বিকশিত কৰা হৈছে।





(ii) UMANG is developed as a mission by the Ministry of Defence to combat terrorism and to boost the morale of the Agniveer in the Armed Forces.

সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজিবলৈ আৰু সশস্ত্ৰ বাহিনীত অগ্নিবীৰৰ মনোবল বৃদ্ধিৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰালয়ে UMANGক এক অভিযান হিচাপে বিকশিত কৰিছে।

(iii) UMANG is a key component of the Digital India initiative which is known as Unified Mobile Application for New-age Governance.

UMANG হৈছে ডিজিটেল ইণ্ডিয়া পদক্ষেপৰ এটা মূল উপাদান যিটোক ইউনিফাইড মোবাইল এপ্লিকেচন (Unified Mobile Application)ৰ নিউ-এজ গৱৰ্ণেন্স (New-age Governance) বুলি জনা যায়।

(iv) UMANG is developed by the Ministry of Electronics and Information Technology, Government of India.

ভাৰত চৰকাৰৰ ইলেক্ট্ৰনিকজ্ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে UMANG বিকশিত কৰিছে।

*(d)* According to the Lokpal and Lokayuktas Act, 2013, the Lokpal shall consist of maximum ____ members including the Chairperson.

লোকপাল আৰু লোকায়ুক্ত আইন, ২০১৩ৰ মতে, অধ্যক্ষৰ সৈতে অতি বেছি ____ জন সদস্যৰে লোকপাল গঠন হয়।

*(i)* Seven

সাত

*(ii)* Eight

আঠ

*(iii)* Nine

ন

*(iv)* Ten

দহ

*(e)* How many days of employment are guaranteed under MGNREGA?

MGNREGAৰ অধীনত কিমান দিনৰ নিয়োগ নিশ্চিত কৰা হৈছে?

*(f)* Which ministry is responsible for implementing the National Health Mission?

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান কাৰ্যকৰী কৰাৰ দায়িত্ব কোনটো মন্ত্ৰালয়ৰ?





*(g)* Which of the following approaches to the study of public policy focuses on the roles of institutions like legislatures, courts in the policy-making process?

লোকনীতি অধ্যয়নৰ নিম্নোক্ত কোনটো দৃষ্টিভংগীয়ে নীতি প্ৰস্তুতকৰণ প্ৰক্ৰিয়াত আইনপালিকা, ন্যায়ালয়ৰ দৰে অনুষ্ঠানসমূহৰ ভূমিকাৰ গুৰুত্ব দিয়ে?

*(i)* Group approach

দলীয় দৃষ্টিভংগী

*(ii)* Institutional approach

আনুষ্ঠানিক দৃষ্টিভংগী

*(iii)* Rational choice approach

যুক্তিনিষ্ঠ পচন্দ দৃষ্টিভংগী

*(iv)* Incremental approach

বৃদ্ধিগত দৃষ্টিভংগী

*(h)* Which of the following is the first step in the budget cycle in India?

নিম্নোক্ত কোনটো ভাৰতৰ বাজেট প্ৰক্ৰিয়াৰ প্ৰথম পৰ্যায়?

*(i)* Budget execution

বাজেট কাৰ্যকৰীকৰণ

*(ii)* Budget enactment

বাজেট ৰূপায়ণ

(iii) Budget formulation
বাজেট প্ৰস্তুতকৰণ

(iv) Audit and evaluation
হিচাপ নিৰীক্ষণ আৰু মূল্যায়ন

2. Answer the following questions (any *six*) : 2×6=12

তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা :

(a) State any two ways in which public policy is relevant.

লোকনীতিৰ যি কোনো দুটা প্ৰাসংগিক দিশ উল্লেখ কৰা।

(b) State the significance of budgeting.

বাজেট প্ৰস্তুতকৰণৰ দুটা গুৰুত্ব উল্লেখ কৰা।

(c) What do you understand by Green Budgeting?

সেউজ বাজেট মানে কি বুজা?

(d) How does policy evaluation contribute to effective governance?

নীতি মূল্যায়নে কেনেদৰে কাৰ্যদক্ষ শাসনত অৰিহণা আগবঢ়ায়?

(e) What is Red Tapism?

ৰঙা ফিটাৰ মেৰপাক মানে কি?





(f) How can active citizens' participation contribute to good Governance?

সক্ৰিয় জনসাধাৰণৰ অংশগ্ৰহণে কেনেদৰে সু-শাসনত অৰিহণা যোগায়?

(g) Mention two major challenges in the implementation of the National Food Security Act (NFSA).

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত দেখা দিয়া দুটা প্ৰধান প্ৰত্যাহ্বানৰ বিষয়ে উল্লেখ কৰা।

(h) Which Article of the Indian Constitution is related to the Right to Education? Which constitutional amendment included the said Article in the Constitution? 1+1=2

ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদ শিক্ষাৰ অধিকাৰৰ লগত জড়িত? কোনটো সাংবিধানিক সংশোধনে উক্ত অনুচ্ছেদক সংবিধানৰ অন্তৰ্ভুক্ত কৰিলে?

(i) Mention two ways in which government budget affects the economy.

চৰকাৰী বাজেটে অৰ্থনীতিত প্ৰভাৱিত কৰা দুটা দিশ উল্লেখ কৰা।

(j) Mention two aims of MGNREGA.

MGNREGAৰ দুটা লক্ষ্য উল্লেখ কৰা।

3. Answer the following questions (any *four*) : 5×4=20

তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা :

(a) Examine the role of different actors (government, civil society, media) in the formulation and implementation of public policy.

চৰকাৰ, নাগৰিক সমাজ আৰু সংবাদ মাধ্যম আদি বিভিন্ন পক্ষৰ লোকনীতি প্ৰস্তুতকৰণ আৰু কাৰ্যকৰীকৰণত ভূমিকা পৰ্যালোচনা কৰা।

(b) Explain the key features of performance budgeting. Distinguish it from zero-based budgeting with suitable examples. 2+3=5

কাৰ্যসম্পাদন বাজেটৰ মুখ্য বৈশিষ্ট্যসমূহ বৰ্ণনা কৰা। উপযুক্ত উদাহৰণৰ সৈতে ইয়াক শূন্য-ভিত্তিক বাজেটৰ পৰা পৃথক কৰা।

(c) What are the ways to enhance the quality of public service delivery in India?

ভাৰতত লোকসেৱা প্ৰদানৰ মানদণ্ড বৃদ্ধি কৰাৰ উপায়সমূহ কি কি?

(d) Evaluate briefly the functioning of anti-corruption authorities in India.

ভাৰতত দুৰ্নীতিবিৰোধী সংস্থাসমূহৰ কাৰ্যপদ্ধতিৰ বিষয়ে চমুকৈ মূল্যায়ন কৰা।





(e) Discuss the main features of the Right to Education Act, 2009.

শিক্ষাৰ অধিকাৰ আইন, ২০০৯ৰ মুখ্য বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(f) Write a note on the Food Security Act, 2013 pointing out its features.

খাদ্য সুৰক্ষা আইন, ২০১৩ৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি চমু টোকা লিখা।

(g) Discuss how MGNREGA has contributed to ensure rural development in India.

MGNREGAই ভাৰতৰ গ্ৰাম্য উন্নয়ন সুনিশ্চিতকৰণত কেনেদৰে অৰিহণা আগবঢ়াইছে, আলোচনা কৰা।

(h) Define Public Policy. Differentiate between the institutional approach and the rational choice approach to the study of public policy.

লোকনীতিৰ সংজ্ঞা দিয়া। লোকনীতি অধ্যয়নৰ ক্ষেত্ৰত আনুষ্ঠানিক দৃষ্টিভংগী আৰু যুক্তিনিষ্ঠ পচন্দ দৃষ্টিভংগীৰ মাজৰ পাৰ্থক্য উল্লেখ কৰা।

**4.** Answer the following questions (any *two*) : 10×2=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো দুটাৰ উত্তৰ লিখা :

*(a)* Discuss the different stages of the budget cycle in India. Highlight the role played by various institutions at each stage ensuring financial accountability.

ভাৰতত বাজেট প্ৰক্ৰিয়াৰ বিভিন্ন পৰ্যায়সমূহ আলোচনা কৰা। প্ৰতিটো পৰ্যায়ত বিত্তীয় দায়বদ্ধতা নিশ্চিতকৰণত বিভিন্ন অনুষ্ঠানে পালন কৰা ভূমিকাসমূহ উল্লেখ কৰা।

*(b)* Examine the policy process in India, focussing on the stages on formulation, implementation and evaluation and the key challenges faced during each stage. Discuss any three approaches to public policy-making. 7+3=10

নীতি প্ৰস্তুতকৰণ, কাৰ্যকৰীকৰণ আৰু মূল্যায়ন আৰু এই ক্ষেত্ৰত প্ৰতিটো পৰ্যায়তে সন্মুখীন হোৱা মুখ্য প্ৰত্যাহ্বানসমূহ উল্লেখ কৰি ভাৰতৰ নীতি নিৰ্মাণ প্ৰক্ৰিয়াৰ বিষয়ে পৰ্যালোচনা কৰা। লোকনীতি নিৰ্মাণৰ যি কোনো তিনিটা দৃষ্টিভংগী আলোচনা কৰা।

*(c)* "A Citizen's Charter is the expression of an understanding between the citizen and the public service provider about the quantity and quality of services





citizens receive in exchange for their taxes." Do you agree with the statement? Give appropriate reasons and evaluate.

"নাগৰিক চনদ হৈছে নাগৰিকে আদায় দিয়া কৰৰ বিনিময়ত লাভ কৰা সেৱাৰ পৰিমাণ আৰু গুণগত মানৰ বিষয়ে নাগৰিক আৰু লোকসেৱা প্ৰদানকাৰীৰ মাজত হোৱা বুজাবুজিৰ প্ৰকাশ।" তুমি এই উক্তিৰ সৈতে একমত নে? তোমাৰ উত্তৰৰ সপক্ষে উপযুক্ত যুক্তি দৰ্শাই মূল্যায়ন কৰা।

*(d)* "There is need for a strong and effective grievance redressal mechanism in each organization." Do you agree with the statement? Give appropriate reasons with suitable examples in support of your answer and evaluate.

"প্ৰতিটো প্ৰতিষ্ঠানত এক শক্তিশালী আৰু কাৰ্যদক্ষ অভিযোগ নিষ্পত্তি ব্যৱস্থাৰ প্ৰয়োজন আছে।" তুমি এই উক্তিৰ সৈতে একমত নে? তোমাৰ উত্তৰৰ সপক্ষে উদাহৰণৰ সৈতে উপযুক্ত যুক্তি আগবঢ়াই মূল্যায়ন কৰা।

*(e)* What is social welfare administration? Discuss different approaches of social welfare. 2+8=10

সামাজিক কল্যাণকামী প্ৰশাসন কি? সামাজিক কল্যাণৰ বিভিন্ন দৃষ্টিভংগী আলোচনা কৰা।

★★★